# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

REACHING NATIONS

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXV | YEAR OF OUR LORD JESUS CHRIST, 2024 SEPTEMBER | No. 03


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভূৰ প্ৰশংসা হওঁক!

### গীতমালা ৫৬:১-১০

১। হে ঈশ্বৰ মোক কৃপা কৰা, কিয়নো মানুহে মোক গ্ৰাস কৰিবলৈ বিচাৰিছে, সি ওৰে দিনটো যুদ্ধ কৰি মোক উপদ্ৰৱ কৰিছে।

২। মোৰ শত্ৰুবোৰে ওৰে দিনটো মোক গ্ৰাস কৰিবলৈ বিচাৰিছে, কিয়নো মোৰ বিৰুদ্ধে অহঙ্কাৰ কৰি যুদ্ধ কৰা অনেক।

৩। যেতিয়াই মোৰ ভয় লাগে, তেতিয়াই মই তোমাত ভৰষা কৰিম।

৪। মই ঈশ্বৰত নিৰ্ভৰ কৰি তেওঁৰ বাক্যৰ প্ৰশংসা কৰিম, মই ঈশ্বৰত ভৰষা কৰিলো, ভয় নকৰো, মাংসপিণ্ডই মোক কি কৰিব পাৰে?

৫। সিহঁতে ওৰে দিনটো মোৰ বাক্য অৰ্থান্তৰ কৰে, সিহঁতৰ সকলো সকল্প মোৰ বিৰুদ্ধে অনিষ্টজনক।

৬। সিহঁতে গোট খাই লুকাই থাকে, সিহঁতে মোৰ প্ৰাণলৈ অপেক্ষা কৰি থকাৰ দৰে, মোৰ ভৰিৰ খোজলৈ লক্ষ্য কৰে।

৭। অধৰ্মৰ দ্বাৰাই সিহঁতে ৰক্ষা পাবনে? হে ঈশ্বৰ, ক্ৰোধেৰে জাতিবোৰক নিপাত কৰা।

৮। তুমি মোৰ ভ্ৰমণৰ লেখ লৈছা, তুমি মোৰ চকুলো তোমাৰ কোপাত বন্ধ কৰি ৰাখা, সেইবোৰ তোমাৰ বহীত নাই নে?

৯। সেইদিনা মই প্ৰাৰ্থনা কৰা কালত মোৰ শত্ৰুবোৰ বিমুখ হ'ব, ঈশ্বৰ যে মোৰ ফলীয়া, তাক মই মানিছো।

১০। মই ঈশ্বৰত নিৰ্ভৰ কৰি তেওঁৰ বাক্যৰ প্ৰশংসা কৰিম, মই যিহোৱাত নিৰ্ভৰ কৰি তেওঁৰ বাক্যৰ প্ৰশংসা কৰিম।



## আপোনাৰ অভিশাপক আশীৰ্বাদলৈ পৰিণত কৰক!

## TURN YOUR CURSES INTO BLESSING!

*(কেন্দ্ৰ মণ্ডলীত পালক এচ. চাম ছেলভা ৰাজে দিয়া বাৰ্তা)*

মই তোমাৰ আগত জীৱন আৰু মৰণ, আশীৰ্বাদ আৰু শাও ৰাখিছো" এই হেতুকে যিহোৱাই তোমাৰ পূৰ্ব-পুৰুষ আব্ৰাহাম, ইচহাক আৰু যাকোবক যি দেশ দিম বুলি তেওঁলোকৰ আগত শপত কৰিছিল, সেই দেশত তুমি বাস কৰিবৰ অৰ্থে, তুমি যেন তোমাৰ ঈশ্বৰ যিহোৱাক প্ৰেম কৰা, তেওঁৰ বাক্যলৈ কাণ দিয়া আৰু তেওঁত আসক্ত হোৱা, কিয়নো সেয়ে তোমাৰ জীৱন আৰু তোমাৰ দীঘল আয়ুস... (দ্বিতীয় বিৱৰণ ৩০:১৯, ২০)।

সকলো মানৱ জাতিত দেখা পোৱা গুৰুত্বপূৰ্ণ সমস্যাটো হৈছে প্ৰত্যেকেই পথভ্ৰষ্ট হৈছে। আমি হত্যা, ব্যভিচাৰ বা চুৰ নকৰিব পাৰো কিন্তু আমাৰ প্ৰত্যেকেই এনে কিবা এটি কাৰ্য কৰিছো ঃ ঈশ্বৰৰ বিৰুদ্ধে পাপ কৰাৰ দ্বাৰাই আমি সকলোৱেই তেওঁক পিঠি দেখুৱাই আমাৰ নিজৰ পথত চলি গৈ আছো। ইব্ৰী ভাষাত এই ব্যৱহাৰক 'এভন' বুলি কোৱা হয়। ইংৰাজীত ইয়াক অনুবাদ কৰিলে 'দুষ্কৰ্ম' বুলি কোৱা হয়। ইয়াক আৰু আগলৈ ব্যাখ্যা কৰিলে 'জেদী' বুলি কোৱা হয়। এই 'দুষ্কম' আৰু 'জেদী' শব্দটোৱে ইব্ৰী শব্দ 'এজন'ৰ সম্পূৰ্ণ অৰ্থক প্ৰকাশ নকৰে। 'এজন' শব্দত আমাৰ 'দুষ্কৰ্ম'ৰ পৰিণামবোৰো অন্তৰ্ভুক্ত আছে। আমাৰ চিন্তাধাৰাত জেদী মনোভাৱৰ পৰিমাণবোৰ অন্তৰ্ভুক্ত আছে।

৩ পৃষ্ঠাত চাওঁক



## ইখ অফ হীজ কল

### ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে

প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

প্ৰত্যেক দিনে পুৱা ২ বজাত

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)

REACHING NATIONS



## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



**আমাৰ মিশ্বন নীতি**

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


HON. EDITOR-IN-CHIEF
Rev. Angeline S. Kumari, M.A., M.Sc., M.Ed.
HON. MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.
GENERAL MANAGER
Bro. N. Prakasam, M.A., M.Sc.(C&P), PGDHRM, MBA.
ADMINISTRATION
Sis. Jesy Veena Sam
Adv. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)
EDITORIAL BOARD
Dr. Serena Bevin, M.A., M.Phil., B.Ed.
Sis. Sajini Cherian
Rev. Dr. K.R. Rajasekaran
EDITOR, PUBLISHER & PRINTER


Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 98412 71858 95661 31858
E.MAIL
sam@echoofhiscall.org
biblecor@yahoo.co.in
WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.com
YOUTUBE CHANNEL
Echo of His Call


"যি জনাই আমাক হীন অৱস্থাত আমাক সুঁৱৰিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী।" –গীতমালা ১৩৬:২৩

খ্ৰীষ্ট যীচুত মোৰ প্ৰিয় ভাই আৰু ভনীসকল,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ নামত আপোনালোকক শুভেচ্ছা জনালো। আপোনালোকৰ মঙ্গলৰ অৰ্থে আমি নিৰন্তৰে প্ৰাৰ্থনা কৰো। ঈশ্বৰে আমাৰ সকলো কাৰ্যকলাপ বিলাকক আশীৰ্বাদ কৰিলে লগতে যোৱা আগষ্ট মাহৰ ৯ ৰ পৰা ১১, ২০২৪ তাৰিখলৈকে আমাৰ ৫৬ তম্ উৎসৱ পালন কৰিলো য'ত তেওঁৰ নামক মহিমান্বিত কৰা হৈছিল।



ভনী জেনভা ইলাঙ্গভান

আমাৰ কেন্দ্ৰ মণ্ডলীৰ এগৰাকী ঘনিষ্ঠ সহকৰ্মী ভনী আৰু পালক ই, কামাল চেমচনৰ মাতৃ জেনভা ইলাঙ্গভানে ২৯ জুলাই, ২০২৪ তাৰিখত স্বৰ্গগামী হয়। আমাৰ কেন্দ্ৰ মণ্ডলীত তেওঁ এগৰাকী উচৰ্গিত আৰু কঠোৰ পৰিশ্ৰমৰ ব্যক্তি আছিল। অনুগ্ৰহ কৰি তেওঁৰ পৰিয়ালবৰ্গৰ বাবে প্ৰাৰ্থনা কৰক।

ভাৰতৰ দক্ষিণ-পশ্চিম ৰাজ্য কেৰেলাৰ ৱেয়ানাড় নামে ঠাইত জলপ্লাৱনৰ ফলত ডাঙৰ ভুমিস্খলন হোৱাত তাত ভয়ানক দুৰ্যোগ হোৱাত বহুত মানুহে তেওঁলোকৰ প্ৰিয়জনক আৰু বয়বস্তু বোৰ হেৰুৱালে। বিশ্বৰ সকলো লোকক পুনৰুদ্ধাৰৰ বাবে সহায়ৰ হাত আগবঢ়াবলৈ নম্ৰ মনেৰে অনুৰোধ জনালো।

ভাৰতৰ কেৰেলা প্ৰথম এনে ৰাজ্য য'ত যীচুৰ এজন শিষ্য থোমাহে ৫২ খ্ৰীষ্টাব্দত ইয়াত ভৰি দিছিল। ইয়াতেই আমাৰ মালায়ালম সম্পাদক, প্ৰচাৰক বেঞ্জামিন মজেচ, তেওঁৰ সহকাৰী ভাই, মোহন কুমাৰ আৰু আমাৰ ইংৰাজী সম্পাদক, ভনী চাজিনী চেৰিয়ানে বাস কৰে। যি চেন্নাই চহৰত আমি আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহক স্থাপন কৰিছো। তাতে সাধু থোমা শ্বহীদ হৈছিল।



প্ৰচাৰক বেঞ্জামিন মজেচ



ভাই মোহন কুমাৰ



ভনী চাজিনী চেৰিয়ান

আপুনি জানিব যে, আমি আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ ভিতৰতে এটা বিশেষ বিভাগ স্থাপন কৰিছো য'ত যুৱ আৰু শিশুসকলৰ যত্নৰ বাবে বিশ্বব্যাপী দৃষ্টিভঙ্গী হিচাপে জনা যায়। স্থানীয় সময়, সঠিকভাৱে প্ৰতিদিনে ১০ বজাত বিশ্বব্যাপী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাৰ সভ্য-সভ্যাসকলে প্ৰাৰ্থনাত একলগ হয়। এই প্ৰাৰ্থনাটি একেবাৰে সংক্ষিপ্ত কিন্তু বহুত শক্তিশালী - "হে আমাৰ প্ৰভু ঈশ্বৰ, বিশ্বৰ আটাইবোৰ ল'ৰা-ছোৱালী আৰু শিশুসকলৰ যত্ন ল'বলৈ অনুৰোধ কৰিছো, প্ৰভু যীচু খ্ৰীষ্টৰ নামত খুজিলো আমেন।"

আপুনি য'ত বাস কৰিলেও, এই প্ৰাৰ্থনাত যোগদান কৰিবলৈ আপোনাক নিমন্ত্ৰণ জনাইছো।


Our Ministries: ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) YouTube Ministry Online Courses Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners St. Paul's Matriculation School Crusades Community Development

এই পদক্ষেপে আমাৰ কেন্দ্ৰ মণ্ডলীত আৰু ছেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলত, বিশেষকৈ যুৱকসকলৰ মাজত এটি অসাধাৰণ জাগৰণ আনিছে। গোটেই বিশ্বৰ পৰা আমাৰ বন্ধুসকলে তেওঁলোকৰ সাক্ষ্যসমূহক আমালৈ পঠাই আছে। চলিত বৰ্ষৰ ১১ আগষ্টত আমাৰ কেন্দ্ৰ মণ্ডলীত এই যুৱ সকলৰ বাবে আমি এখন সভাৰ আয়োজন কৰিছিলো। সকলো মহিমা আৰু আদৰ আমাৰ প্ৰভু যীচু খ্ৰীষ্টলৈ হওক।



***A conference held in the Main Church***

আমি উৎসাহেৰে আৰু অঙ্গীকাৰেৰে আগবাঢ়ি গৈ থাকোতে, আমি প্ৰত্যাহ্বানৰ সন্মুখীন হওঁ। চয়তানে আমাৰ বিভিন্ন পৰিচৰ্যাৰ লোকসকলক কব নোৱাৰা শাৰীৰিক দুখ আৰু আৰ্থিক সদস্যা দি লক্ষ্য কৰি লৈছে। বৰ্তমান তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহক আৰ্থিক চাপে দেখা দিছে। গতিকে আমি আপোনাক নিশা ১০ বজাত আপোনাৰ প্ৰাৰ্থনাত আমাৰ আৰ্থিক সহায় পাবলৈ প্ৰাৰ্থনা কৰিবলৈ আন্তৰিকতাৰে অনুৰোধ জনাইছো লগতে "বিশ্বযোৰা তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ কৰ্মী আৰু চলাওঁতাসকলৰ কল্যাণৰ বাবে" আৰু বিশ্বজোৰা যুৱ আৰু শিশুসকলৰ বাবে প্ৰাৰ্থনা কৰক।

বিশ্বৰ মণ্ডলীবিলাকৰ মিছন বাধা অতিক্ৰম কৰি ডাঙৰ জাগৰণৰ বাবে সযত্নে পৰিশ্ৰম কৰিবলৈ প্ৰাৰ্থনা কৰাটোৱে আমাৰ লক্ষ্য।

আমি আপোনাক আমাৰ হৃদয়ত ধৰি ৰাখিছো আৰু আপোনাৰ সৈতে গভীৰ সহযোগিতা স্থাপন কৰিব বিচাৰিছো। মুক্ত মনে আমাৰ কাষ চাপিবলৈ চেষ্টা কৰক বা আমাৰ ইখ অফ্ হীজ কলৰ ইউটিউব চেলেনত প্ৰতিদিনে ৫ মিনিটৰ কাৰ্যসূচী চাবলৈ চেষ্টা কৰক।

ঈশ্বৰে আপোনাক প্ৰচুৰ পৰিমাণে আশীৰ্বাদ কৰক।

প্ৰেম আৰু কৃতজ্ঞতাৰে--

খ্ৰীষ্ট যীচুত আপোনাৰ সেৱক,

পালক এলেক্স চামচন চাম আৰু
এচ, চাম ছেলভা ৰাজ
(+91) 98412 71858 / 98410 71858,
E.mail : sam@echoofhiscall.org

## মনোযোগ দিয়ক ঃ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পঢ়োৱৈসকল

তামিল, তেলেগু, ইংৰাজী আৰু হিন্দী ভাষাত (প্ৰতিদিনে) আমাৰ ৫ মিনিট তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ ইউটিউব বাৰ্ত্তাসমূহ শুনি আপুনি ঈশ্বৰৰ অনুগ্ৰহক গ্ৰহন কৰিব পাৰিব। মোৰ মোবাইল নম্বৰ কেইটাক চেভ কৰি লওক (+91)9841071858, (+91)9841271858 (ব্যক্তিগত)।

*- পালক এচ, চাম ছেলভা ৰাজ*

*....Contd. from page 1*

উদাহৰণস্বৰূপ, যেতিয়া কয়িনে তেওঁৰ ভায়েক হেবলক হত্যা কৰিছিল, তেওঁ ক'লে... **"মোৰ দণ্ড সহিব পৰাতকৈ অধিক" (আদিপুস্তক ৪:১৩)। এই বিষয়ত ইব্ৰী ভাষাৰ 'এভন' শব্দটোৱে কয়িনৰ দুষ্কৰ্মৰ লগতে তেওঁৰ দণ্ডৰো অৰ্থক বুজায়।** বিলাপ পুস্তকৰ ৪ অধ্যায়ৰ ৬ আৰু ১৩ পদত এই গুণটোত 'এভন' শব্দক ব্যৱহাৰ কৰা হৈছে ঃ

**"মোৰ জাতিস্বৰূপ জীয়াৰীসকল অপৰাধ, সেই চদোমৰ পাপতকৈয়ো অধিক..."** বিলাপ ৪:৬।

"তাৰ যি ভাববাদীবোৰে আৰু তাৰ যি পুৰোহিতবোৰে তাৰ ভিতৰত ধাৰ্মিকবিলাকৰ ৰক্তপাত কৰিছিল, সেই ভাববাদীবোৰৰ পাপৰ আৰু সেই পুৰোহিতবোৰৰ অপৰাধৰ কাৰণে এয়ে ঘটিল"-- (১৩ পদ)।

আজিকালি বহুত পৰিয়ালত ঈশ্বৰৰ বহু অভিশাপ পৰা আমি দেখো। খ্ৰীষ্টিয় পৰিয়ালবিলাকতো কাজিয়া, ভুল বুজাবুজি আৰু খেলিমেলি আছে। ঈশ্বৰে নিজে তেওঁৰ অবাধ্য সন্তানবিলাকলৈ ঘোষণা কৰা কিছুমান অভিশাপবোৰ মই তলত উল্লেখ কৰিছো ঃ (দ্বিতীয় বিবৰণ ২৮:২০,২১,২২,২৭,২৮)।

দ্বিতীয় বিবৰণ ২৮:২০ পদ ঃ **তুমি মন্দ কাৰ্য কৰি মোক ত্যাগ কৰাৰ কাৰণে তুমি সংহাৰ আৰু শীঘ্ৰে বিনষ্ট নোহোৱালৈকে কৰিবলৈ হাত দিয়া, তোমাৰ সকলো কাৰ্য তুমি কৰি থাকোতে, যিহোৱাই তোমাৰ মাজলৈ শাও, ব্যাকুলতা আৰু ধমকি পঠাই থাকিব।**

দ্বিতীয় বিবৰণ ২৮:২১ পদ ঃ **তুমি অধিকাৰৰ অৰ্থে যি দেশত সোমাবলৈ গৈছা, সেই দেশৰ পৰা যিহোৱাই তোমাক উচ্ছন্ন নকৰে মানে তোমাত মহামাৰী লগাই থ'ব।**

দ্বিতীয় বিবৰণ ২৮:২২ পদ ঃ **যিহোৱাই যক্ষ্মাৰোগ, জ্বৰ, পোৰণি, দাহ, তাৰোৱাল, কৰ্কত্তনীয় আৰু ৰঙামূৰীয়া, এইবোৰৰ দ্বাৰাই তোমাক মাৰিব। তুমি বিনষ্ট নোহোৱা মানে সেইবোৰ তোমাৰ লগ নেৰিব।**

দ্বিতীয় বিবৰণ ২৮:২৭ পদ ঃ **যিহোৱাই তোমাক মিচৰীয়া বিহ ফোঁহোৰা, খঁহু, ফাপৰ আৰু খজুৰতি এইবোৰ সুস্থ কৰিব নোৱাৰা ৰোগেৰে প্ৰহাৰ কৰিব।**

দ্বিতীয় বিবৰণ ২৮:২৮ পদ ঃ **যিহোৱাই তোমাক পাগলামি, অন্ধতা আৰু মনৰ ব্যাকুলতাৰে আঘাত কৰিব।**

## I. অভিশাপৰ চিনসমূহ

উপস্থিতি ইঙ্গিত লক্ষণ অনুসন্ধানৰ মাজত এটি অভিশাপত প্ৰকাশ স্পষ্ট হৈ উঠে।

### ১। মানসিক হতাশা ঃ

বহু লোকে তেওঁলোকৰ জীৱনত ব্যৰ্থতা আৰু সমস্যাৰ সন্মুখীন হৈ মানসিক হতাশাত ভোগে, তেওঁলোকে যিকোনো কাৰ্য কৰাত অসমৰ্থ হয় আৰু স্বাভাৱিক জীৱন জীয়াই থাকে আৰু এনে মানুহো আছে যিসকলে নোহোৱা বস্তুবোৰৰ কল্পনা কৰে। ভুল শিক্ষাত গুৰুত্ব দিয়ে যিয়ে আৰু তেওঁলোকে মনৰ ইচ্ছাৰ বিৰুদ্ধে যুঁজ কৰাত লাগি যায়।

### ২। এলেহুৱা ঃ

যদিও সক্ৰিয় হ'বলৈ সকলো সম্ভৱ থাকে আৰু তেওঁলোকৰ ... হোৱাৰ অসমৰ্থ হ'বলৈ সকলো অনুকূল পৰিস্থিতি থাকে কিছুমান মানুহে তেওঁলোকৰ জীৱনত ঘটা ঘটনা বাবে আনক জগৰীয়া কৰে আৰু তেওঁলোকৰ গোটেই জীৱন একো কাৰ্য নকৰি এলেহুৱা হৈ থাকে।

### ৩। অস্বাভাৱিক বংশগত ৰোগ ঃ

কিছুমান পৰিয়ালত, কিছুমান ৰোগ হৈ থাকে বা পাৰিবাৰিক সমস্যা হৈ থাকে। যাক আপুনি বংশৰ পাছত বংশ হোৱাটোক দেখিব।

### ৪। বাৰম্বাৰ গৰ্ভপাত আৰু বন্ধ্যা অৱস্থা ঃ

দুডোখৰ মাটি লগালগিকৈ থাকিব পাৰে। এই দুডোখৰ মাটিক খেতিৰ বাবে ভালকৈ যুগুত কৰা হ'ব পাৰে আৰু দুডোখৰ মাটিৰ শস্য একেধৰণে বাঢ়িব লাগিছিল। কিন্তু এডোখৰ মাটিয়ে ভালকৈ শস্য উৎপাদন নকৰিব পাৰে। কিন্তু আনডোখৰ মাটিত উপচি পৰাকৈ শস্য হ'ব পাৰে।

একেদৰে, কিছুমান মহিলা শাৰীৰিকভাৱে স্বাস্থ্যৱান হ'ব পাৰে কিন্তু কাৰণবশতঃ তেওঁলোক বাৰম্বাৰ গৰ্ভপাতৰ সন্মুখীন হয়। কিছুমান মহিলাই কোনো কাৰণ নথকাটো গৰ্ভধাৰণ কৰিব নোৱাৰে আৰু কিছুমান মহিলাই দুৰ্বল সন্তান জন্ম দিয়ে বা কিছুমান শাৰিৰীকভাৱে অক্ষম সন্তান জন্ম দিয়ে।

### ৫। বিবাহ হোৱাত পলম আৰু ভগ্ন বিবাহ ঃ

কিছুমানৰ বাবে বিবাহ পতাৰ সকলো চেষ্টাত ব্যৰ্থ হয়। কিছুমান দম্পত্তি আছে যিসকলো একেলগে থাকিব নোৱাৰি বিবাহ বিচ্ছেদ বিচাৰে। তেওঁলোকে বৈবাহিক জীৱনত ধৈৰ্যৰে থাকিব নোৱাৰে আৰু উকীলৰ ওচৰত তেওঁলোকৰ ব্যক্তিগত সমস্যাবোৰৰ বিষয়ে ব্যাখ্যা কৰিবলৈ লজ্জাবোধ নকৰে। যিজনে এনে নিৰাশাত ভোগা মানুহৰ পৰা কেৱল ধন ঘটাৰ লক্ষ্য ৰাখে।

### ৬। দৰিদ্ৰতা আৰু ব্যৰ্থতা ঃ

কঠিন পৰিশ্ৰমৰ মাজতো কিছুমান মানুহে বাৰে বাৰে দ্ৰৰিদ্ৰতা আৰু ব্যৰ্থতাৰ সন্মুখীন হৈ থাকে। ইয়াৰ ফলস্বৰূপে কেৱল তৰ্ক-বিতৰ্ক আৰু অৰ্থহীন জীৱন দেখা দিয়ে। কিছুমান মানুহে জীয়াই থকিবলৈ ঘৃণা কৰে আৰু আত্মহত্যাৰ পথ বাছি লয়। কিছুমান মানুহৰ জীৱনত আমি দেখো যে তেওঁবিলাকে প্ৰায় দুৰ্ঘটনাৰ সন্মুখীন হয়।

## ২. অভিশাপে কিদৰে মানৱ জাতিক প্ৰভাৱ কৰে?

"**... অকাৰণে দিয়া শাও তেনে, সি নালাগে**" (হিতোপদেশ ২৬:২পদৰ মতে)

এই চিনবোৰে অভিশাপৰ প্ৰদৰ্শক হিচাপে কাৰ্য কৰে, দুৰ্দশ আৰু প্ৰতিকুলৰ এটি আখ্যা গাঁথে, যিয়ে ব্যক্তিৰ জীৱনত বিভিন্ন দিশ প্ৰকাশ কৰে।

*৬ পৃষ্ঠাত চাওঁক*


**NEHEMIAH BIBLE**

**RESIDENTIAL / EVENING COLLEGE,**
Velachery / Chepauk & Santhoshapuram, Chennai.

Medium : Hindi / Tamil

50 ECHO OF HIS CALL 1969-2019 REACHING NATIONS

Recognised by International Christian Leaders & Senior Pastors for the past 54 years

Regd. Candidate for Membership ATA NEHEMIAH BIBLE COLLEGE CHENNAI ECHO OF HIS CALL Estd.: 1969

Qualification : 10th Standard & above

Diploma in Theology

Rush for admission!

**Contact : The Chairman, Nehemiah Bible College.**

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

✶ ONLINE CLASSES ARE AVAILABLE ✶

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**২০২৪ বৰ্ষৰ ১৯ ছেপ্তেম্বৰৰ পৰা ২০২৪ বৰ্ষৰ ১৮ অক্টোবৰলৈ**

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

ছেপ্তেম্বৰ ১৯ ঃ ১৬টা ভাষাত আমাৰ আলোচনী সমূহ আমাৰ ছপাশালত ছপা কৰি মিছন ফিল্ডলৈ পঠোৱাত ঈশ্বৰে আমাক সমৰ্থ কৰিলে।

ছেপ্তেম্বৰ ২০ ঃ আমাৰ ‘ইখ অফ্ হীজ কল’ ইউটিউব মিডিয়া পৰিচৰ্যাৰ ৫ মিনিট বাৰ্তা শুনাত বহুত সাক্ষ্য অহাত আশীৰ্বাদৰ বাবে।

ছেপ্তেম্বৰ ২১ ঃ আমাৰ ছেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু বাইবেল যোগাযোগ পাঠ্যক্ৰমৰ ওপৰত তেওঁৰ আশীৰ্বাদৰ বাবে।

ছেপ্তেম্বৰ ২২ ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনী পৰিচৰ্যাক সহায় কৰা সমৰ্পিত সম্পাদক সকলক দিয়াৰ দ্বাৰাই আমাৰ পৰিচৰ্যাক আশীৰ্বাদ কৰাৰ বাবে।

ছেপ্তেম্বৰ ২৩ ঃ আমাৰ কেন্দ্ৰ মণ্ডলীত আৰু শাখা মণ্ডলীবিলাকত দেওবৰীয়া উপাসনাত ঈশ্বৰৰ শক্তিশালী বাক্যৰ বাবে।

ছেপ্তেম্বৰ ২৪ ঃ আমাৰ শুভবাৰ্তা ছপাশালখন দক্ষ কৰ্মীসকলৰ সৈতে ভালকৈ চলি থকাৰ বাবে।

ছেপ্তেম্বৰ ২৫ ঃ যোৱা ২০২৪ আগষ্টত আমাৰ তেওঁৰ আহ্বানৰ পৰিচৰ্যাসমূহ ৫৬ তম্ বৰ্ষ অতিক্ৰম কৰাৰ বাবে।

ছেপ্তেম্বৰ ২৬ ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰসকল, প্ৰকাশ অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰসকল, প্ৰধান আজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়াললৈ দয়া কৰাৰ বাবে।

ছেপ্তেম্বৰ ২৭ ঃ আমাৰ বাইবেল যোগাযোগ পাঠ্যক্ৰম আৰু থিয়লজিকেল যোগাযোগ পাঠ্যক্ৰমৰ বৃদ্ধিৰ বাবে।

ছেপ্তেম্বৰ ২৮ ঃ বিভিন্ন পৰিচৰ্যাৰ যোগেদি শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ আমাৰ জ্যেষ্ঠ পালকৰ অঙ্গীকাৰৰ বাবে।

ছেপ্তেম্বৰ ২৯ ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক ৰক্ষা কৰাৰ বাবে।

ছেপ্তেম্বৰ ৩০ ঃ আমাৰ মণ্ডলীত নতুন নতুন বিশ্বাসীসকলক যোগ কৰাৰ আশীৰ্বাদৰ বাবে।

অক্টোবৰ ০১ ঃ মিছন কৰ্মীসকলৰ পৰা মহান অঙ্গীকাৰৰ বাবে।

অক্টোবৰ ০২ ঃ আমাৰ জ্যেষ্ঠ পালক এচ.চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালক স্বৰ্গীয় নিৰাপত্তা আৰু ভাল স্বাস্থ্য দিয়াৰ বাবে।

অক্টোবৰ ০৩ ঃ আমাৰ নহিমিয়া বাইবেল কলেজখন চলি থকা শিক্ষাবৰ্ষৰ পৰা দ্বিতীয় চেমিষ্টাৰলৈ অহাত আশীৰ্বাদ কৰাৰ বাবে।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

অক্টোবৰ ০৪ ঃ ৰাগীয়াল দ্ৰব্যৰ প্ৰতি আসক্ত ব্যক্তি আৰু মন্দ কাৰ্য কৰা ব্যক্তিসকলে পাপ স্বীকাৰ কৰক।

অক্টোবৰ ০৫ ঃ পৃথিৱীৰ সকলো মহিলা আৰু শিশুসকলৰ নিৰাপত্তাৰ বাবে।

অক্টোবৰ ০৬ ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ যুৱ আৰু শুভবাৰ্তাৰ বাবে।

অক্টোবৰ ০৭ ঃ আমাৰ জ্যেষ্ঠ পালক এচ.চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গৰ সু-স্বাস্থ্যৰ বাবে।

অক্টোবৰ ০৮ ঃ ভাৰতৰ শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তা দিবলৈ আমাক সমৰ্থ কৰিবৰ বাবে।

অক্টোবৰ ০৯ ঃ আমাৰ সিংহালা আলোচনীৰখনৰ ভনী মঞ্জুলাৰ অলপ আগৰ পৰা স্বাস্থ্যৰ সমস্যা হৈছে, আৰোগ্যৰ বাবে প্ৰাৰ্থনা কৰক।

অক্টোবৰ ১০ ঃ এই পৃথিৱীত তেওঁৰ ৰাজ্য স্থাপন কৰিবলৈ আমাক যি যি দৰ্শন দিয়া হৈছে তাৰ বাবে।

অক্টোবৰ ১১ ঃ দক্ষিণ ভাৰতৰ কেৰেলাৰ ৱেয়ানাড়ত অলপতে ভূমিস্খলন হৈছিল, তাত স্বাভাৱিকতা ঘূৰি আহিবলৈ।

অক্টোবৰ ১২ ঃ আমাৰ অংশীদাৰসকল, ৰাজ্যিক সহ-পৰিচালক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে।

অক্টোবৰ ১৩ ঃ আটাই দেশসমূহত একতা আৰু শান্তি বাহাল থাকিবলৈ।

অক্টোবৰ ১৪ ঃ আমাৰ শুভবাৰ্তা ছপাশালৰ ওপৰত আশীৰ্বাদ থাকিবৰ বাবে।

অক্টোবৰ ১৫ ঃ আমাৰ পৰিচৰ্যাৰ বিস্তাৰৰ বাবে আৰু বিশ্বজুৰি শুভবাৰ্তা বিস্তাৰৰ বাবে।

অক্টোবৰ ১৬ ঃ পৃথিৱীৰ বিভিন্ন দেশসমূহত আৰ্থিক মন্দাৰ অন্ত পৰিবৰ বাবে।

অক্টোবৰ ১৭ ঃ দৰিদ্ৰ লোকসকলৰ অৰ্থনৈতিক মন্দাৰ অন্ত পৰিবৰ বাবে।

অক্টোবৰ ১৮ ঃ আটাই দেশসমূহত ঈশ্বৰক ভয় কৰা নেতাসকলৰ সৈতে আশীৰ্বাদ কৰিবৰ বাবে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

## ১। যেতিয়া মানৱ জাতিয়ে ঈশ্বৰৰ আজ্ঞাৰ অবাধ্য হয় অভিশাপ সঁচাকৈয়ে আহে ঃ

আনকি যেতিয়া প্ৰথম মানুহ পৃথিৱীত আছিল ঈশ্বৰৰ শাও এদেন বাগিছাত প্ৰৱেশ কৰিছিল। আমাৰ পূৰ্বপিতৃ আৰু মাতৃ, আদম আৰু হাৱাক ঈশ্বৰে আশীৰ্বাদ কৰিছিল। কেৱল এবিধ গছৰ ফলৰ বাহিৰে বাগিছাৰ সকলো গছৰ ফল খাবলৈ অনুমতি তেওঁলোকক দিয়া হৈছিল। কিন্তু, চয়তানৰ পৰামৰ্শ গ্ৰহণ কৰি, তেওঁলোকে প্ৰভু ঈশ্বৰে বাধা দিয়া ফলটোক খাইছিল, আদমৰ এই অবাধ্যতাই তেওঁবিলাকৰ ওপৰত ঈশ্বৰৰ অভিশাপ আনিলে। এই ঘটনা আদিপুস্তক ২:১৫ ৰ পৰা ৩:২৪ পদলৈকে লিখা আছে।

আমি মানুহবিলাকে প্ৰচাৰ কৰো যে যীচু খ্ৰীষ্ট এই পৃথিৱীৰ ত্ৰাণকৰ্তা হয়। তেওঁৰ জন্মৰ ইতিহাসত লিখা আছে। তেওঁৰ মৃত্যু আৰু পুনৰুত্থানো ইতিহাসত লিখা আছে। আমি প্ৰচাৰ কৰো যে প্ৰভু যীচু খ্ৰীষ্টই আমাৰ পাপবোৰ ক্ষমা কৰে। গতিকে মানুহে তেওঁক গ্ৰহণ কৰি তেওঁৰ সন্তান হ'ব লাগে। প্ৰথমে আমি ঈশ্বৰৰ ৰাজ্য আৰু তেওঁৰ ধাৰ্মিকতাক বিচাৰিব লাগে। পাছত পৃথিৱীৰ সকলো আশীৰ্বাদ আমাৰ পাছে পাছে আহিব। আমি তেওঁলোকক পবিত্ৰ জীৱন-যাপন কৰিবলৈ শিক্ষা দিওঁ আৰু বিভিন্ন ধৰণে কু-কৰ্মবোৰ নকৰিবলৈ শিক্ষা দিও। হাজাৰ হাজাৰ লোকে ঈশ্বৰৰ এই বাৰ্তা শুনে। কিন্তু কিছুমান মানুহে এই সত্যক পালন কৰে, যীচু খ্ৰীষ্টক ব্যক্তিগত জীৱনত গ্ৰহণ কৰে? পিতা, পুত্ৰ, পবিত্ৰ আত্মাৰ নামত বাপ্তিস্ম লয় আৰু পবিত্ৰ আত্মাৰ দ্বাৰাই চালিত হয়।

আমি খ্ৰীষ্টিয়ানবিলাককো শিক্ষা দি কওঁ যে তেওঁবিলাকে যীচু খ্ৰীষ্টৰ শিক্ষাবোৰক পালন কৰিব লাগে। তেওঁৰ দৰে থাকিব আৰু তেওঁৰ সেৱা কৰিব লাগে। আপুনি শুনে কিন্তু পালন কৰিবলৈ অনিচ্ছা কৰে। গীৰ্জাঘৰ এটা পবিত্ৰ স্থান হয়। যেতিয়া আপুনি ইয়াত প্ৰৱেশ কৰে, এইটো সম্পূৰ্ণ প্ৰয়োজন যে আপুনি তেওঁৰ আৰাধনা কৰিবলৈ মন লৈ আহিছে। গীৰ্জাঘৰৰ ভিতৰত লেতেৰা ভাবধাৰা আৰু বেয়া মনোভাৱ লৈ প্ৰৱেশ নকৰিব। আপুনি আপোনাৰ ম'বাইল ফোন বন্ধ কৰি ল'ব যাতে আপুনি কোনো বাৰ্তা গ্ৰহণ নকৰে বা প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে বাৰ্তা নপঠাব। পৰিপাটী আৰু শালীন পোছাকেৰে গীৰ্জাঘৰত প্ৰৱেশ কৰিব। বিপৰীত লিঙ্গৰ মনত কামভাব সৃষ্টি কৰা পোছাক নিপিন্ধিব। বেয়া সম্পৰ্ক সৃষ্টি কৰা ব্যৱহাৰ নকৰিব। পুৰুষে মহিলাৰ দৰে দীঘল চুলি ৰাখিব নালগে। পলমকৈ উপাসনালৈ আহি সোনকালে গীৰ্জাৰ পৰা ওলাই নাযাব। গীৰ্জাত হোৱা উপাসনাত গুৰুত্ব দিয়ক। এনে কৰিলে ঈশ্বৰে সন্তোষ পায়।

যেতিয়া আমি এইদৰে প্ৰচাৰ কৰো, বহুতে ইয়াক ভাল নাপায়। বহুত মানুহে এনে গীৰ্জাত যোগ দিব বিচাৰে য'ত তেওঁলোকে বিচৰা মতে উৎসাহ পাব পাৰে। তেওঁলোকে বৃহৎ ভিৰ থকা গীৰ্জাত যাবলৈ পছন্দ কৰে, যাতে তেওঁলোকক কোনেও প্ৰত্যক্ষ কৰিব নোৱাৰে। তেওঁলোকে নিজ ইচ্ছামতে চলিব বিচাৰে।

যদি মানুহ এইদৰে থাকে ঈশ্বৰে কিদৰে তেওঁৰ ক্ৰোধৰ পৰা দূৰ হ'ব। সেই গতিকে আজিৰ ঈশ্বৰৰ দাস সকলৰ পৰিচৰ্যাৰ কোনো দৰ্শন নাই, আচৰিত কৰ্ম নাই আৰু কোনো অভিজ্ঞতা নাই। যিবিলাকে বিশ্বাস কৰো বুলি ভাৱে তেওঁবিলাকৰো পৰিত্ৰাণৰ অভিজ্ঞতা নাই। মণ্ডলীসমূহত এই পৰিস্থিতিয়েই হৈছে ঈশ্বৰৰ অভিশাপৰ পৰিণাম।

## ২। যি অভিশাপ আপুনি নিজৰ ওপৰত দিয়ে সি বৰ নিষ্ঠুৰ হয় ঃ

"তেন্তে তুমি নিজৰ মুখৰ বাক্যৰূপ ফান্দত পৰিলা..." (হিতোপদেশ ৬:২)। ইয়াৰ অৰ্থই কি বুজায়? ইয়াৰ অৰ্থ আপুনি নিজ মুখেৰে যি বাক্য কয় সি আপোনাৰ গাতেই লাগে। বহুতে নিজকে প্ৰশ্ন কৰে, "মই পৃথিৱীত কিয় জন্ম ল'লো? " তেওঁলোকে কয়, "মই বেছি দিন জীয়াই থাকিব নিবিচাৰো" আৰু "মই আত্মহত্যা কৰিম।" এইটো ঠিক নহয়। আপুনি এইদৰে আনক ভাবুকি দিবৰ বাবে ক'ব পাৰে বা আপুনি আনৰ সৈতে ধেমালি কৰিব পাৰে। কিন্তু বহুতৰেই এইদৰে কোৱাৰ দৰেই মৃত্যু হয়।

কিছুমান ঘৰত আমি শুনো যে স্বামীয়ে স্ত্ৰীক কয়, "তুমি ৰন্ধা আহাৰ ভাল নহয়। যদি তুমি আহাৰ এইদৰে মোক দিয়া মই সোনকালে মৰিম।" মনত ৰাখিব এনেধৰণৰ মানুহে নিজৰ জীৱনকালৰ বিষয়ে সিদ্ধান্ত লৈ আছে। কিছুসংখ্যক পিতৃ-মাতৃয়ে তেওঁলোকৰ সন্তানক নিজৰ ওচৰ-চুবুৰীয়া সন্তানৰ সৈতে তুলনা কৰে। তেওঁলোকে কয়, "সেই ল'ৰা বা ছোৱালীলৈ চোৱা। সিহঁত কিমান চোকা আৰু কৰ্তব্যপৰায়ণ। কিন্তু তুমি দেখিবলৈ বেয়া আৰু মূৰ্খ। মই যে কেলেই তোমাক জন্ম দিলো।" এনে ধৰণৰ বাক্যৰ যোগে আমাৰ অভিশাপক মাতি লওঁ।

পাঁচনি পিতাৰে তেওঁৰ নিজৰ জীৱনত এই ধৰণৰ অভিজ্ঞতা পাইছিল। যেতিয়া পিতৰ মহা পুৰোহিতৰ চোতালত আছিল তেওঁ তিনিবাৰ যীচু খ্ৰীষ্টৰ শিষ্য নহও বুলি আসৈ মাতিছিল। তেওঁ তৃতীয়বাৰ অস্বীকাৰ কৰাৰ সময়ত, তেওঁ যীচুৰ ওচৰত শপত খাইছিল আৰু অভিশাপ দিবলৈ আৰম্ভ কৰিছিল। এনে শপত খোৱাৰ বাবে তেওঁ নিজৰ ওপৰত ডাঙৰ অভিশাপ কঢ়িয়াই আনিছিল।

যদিও শেষত তেওঁৰ মুখৰ বাক্যৰ বাবে বৰকৈ ক্ৰন্দন কৰিছিল, মই বিশ্বাস কৰো সেই সময়ত তেওঁৰ মুখৰ বাক্যৰ পৰিণামৰ বাবে উপলব্ধি কৰিছিল। তিনিদিনৰ পাছত যেতিয়া কিছুমান তিৰোতাই যীচুৰ মৈদামৰ ওচৰলৈ গৈ একো নাপালে তেওঁলোকে তাত ঈশ্বৰৰ এজন স্বৰ্গদূতক দেখিলে। তেওঁ

তেওঁলোকক ক'লে, "কিন্তু তোমালোকে গৈ তেওঁৰ শিষ্যবিলাকক আৰু পিতৰক কোৱাগৈ তেওঁ তোমালোকৰ আগেয়ে গালীললৈ গৈছে..." (মাৰ্ক ১৬:৭)। ইয়াত আমি লক্ষ্য কৰো যে পিতৰক যীচুৰ এজন শিষ্য হিচাপে গণ্য কৰা নহয়। কিয়নো তেওঁ নিজ মুখৰ বাক্যৰ বাবে যীচু খ্ৰীষ্টৰ এজন বুলি গণ্য হোৱাত সুযোগ হেৰুৱাইছিল।

যীচুৱে তেওঁৰ প্ৰচুৰ পৰিমাণৰ দয়া আৰু অনুগ্ৰহেৰে পুনৰ এবাৰ পিতৰক লগ কৰি পৰিৱৰ্তন কৰিবৰৈ গালীল সাগৰলৈ গৈছিল। পিতৰে তিনিবাৰ যীচুক অস্বীকাৰ কৰিছিল। গতিকে যীচুৱে পিতৰক তিনিবাৰ প্ৰশ্ন কৰি সুধিলে, "পিতৰ, তুমি মোক প্ৰেম কৰানে?" (যোহন ২১:১৫-১৭)। যদিও পিতৰে এইপ্ৰশ্নৰ উত্তৰত "হয় প্ৰভু, তুমি জানা যে মই তোমাক প্ৰেম কৰো" বুলি কৈছিল। তথাপি যীচুৱে তেওঁক তিনিবাৰকৈ প্ৰশ্ন কৰাত তেওঁ মনত বেয়া পাইছিল। কিন্তু যীচুৱে তেওঁক তিনিবাৰকৈ প্ৰশ্ন কৰি তেওঁৰ অস্বীকাৰ কৰাত ৰদ কৰিছিল তাক পিতৰে উপলব্ধি কৰিব পৰা নাছিল। যীচুৱে পিতৰক তিনিবাৰ অস্বীকাৰ কৰা তেওঁৰ পাপক স্বীকাৰ কৰিছিল। এইদৰে পুনৰ এবাৰ তেওঁ পিতৰক শিষ্যবিলাকৰ তালিকাত আনিলে।

ইস্ৰায়েলৰ লোকসকলে যীচুৰ শিক্ষা শুনিছিল কিন্তু তেওঁক গ্ৰহণ কৰা নাছিল। যেতিয়া যীচুক পীলাতৰ ওচৰলৈ অনা হৈছিল তেতিয়া তেওঁ যীচুক শাস্তি দিবলৈ কোনো দোষ পোৱা নাছিল, গতিকে তেওঁ যীচুক মুক্তি দিবলৈ বিচাৰিছিল। কিন্তু সেই কালৰ যিহুদীবিলাকে আটাহ পাৰি ক'লে, "তাক ক্ৰুচত দিয়া... তাৰ তেজে আমাক আৰু আমাৰ সন্তানবিলাকক পাওক" (মথি ২৭:২৩, ২৫)। নিজৰ মুখৰ যোগেদি যিহুদীবিলাকে নিজৰ ওপৰলৈ অভিশাপ মাতি আনিলে। ইতিহাসত পোৱা যায় যে এটা বংশতেই ৰোমান সৈন্যবিলাকে যিৰূচালেম অধিকাৰ কৰিছিল আৰু আনকি এতিয়াও যিহুদীবিলাকে গোটেই পৃথিৱীৰ য'তে ত'তে ভ্ৰমি আছে।

## ৩। জীৱিত ঈশ্বৰৰ সৈতে কোনো প্ৰতিমাক সমান স্থান দিলে অভিশাপবোৰক নিমন্ত্ৰণ জনোৱা হয় ঃ

"তুমি নিজলৈ কোনো কটা প্ৰতিমা বা ওপৰত থকা স্বৰ্গত, তলত থকা পৃথিৱীত আৰু পৃথিৱীৰ তলত থকা পানীত যি আছে, সেইবোৰৰ আকৃতিৰে কোনো মূৰ্তি নেসাজিবা। সেইবোৰৰ আগত তুমি প্ৰণিপাত নকৰিবা আৰু সেইবোৰক তুমি সেৱা পূজাও নকৰিবা, কাৰণ তোমাৰ ঈশ্বৰ যিহোৱা মই মোৰ মৰ্যাদা ৰখাত উদ্যোগী ঈশ্বৰ মোক ঘিণাওতাবোৰৰ তৃতীয় চতুৰ্থ পুৰুষলৈকে সন্তানবিলাকৰ ওপৰত পিতৃবিলাকৰ অপৰাধৰ প্ৰতিফল দিওতা" (যাত্ৰাপুস্তক ২০:৪,৫)।

আমি জানো যে যিবিলাকে জীৱিত ঈশ্বৰৰ সৈতে প্ৰতিমাবোৰক সমান স্থান দিয়ে তেওঁলোক ঈশ্বৰৰ শত্ৰু হয়। এই লোকবিলাকে সাপ, বান্দৰ, হাতী আৰু আন আন জীৱক ঈশ্বৰৰ সৈতে তুলনা কৰিবলৈ সাহস কৰে। কিয়নো ঈশ্বৰ হৈছে সৰ্বশক্তিমান, প্ৰভুৰো প্ৰভু আৰু ৰজাৰো ৰজা কিন্তু সাধাৰণ আৰু ক্ষয় হ'ব পৰা জীৱবিলাকক ঈশ্বৰৰ লগত তুলনা কৰা হয়। ঈশ্বৰৰ ক্ৰোধক জ্বলোৱা হয় আৰু প্ৰতিমা সেৱা কৰা তৃতীয় আৰু চতুৰ্থ পুৰুষলৈকে ঈশ্বৰে বিচাৰ কৰিব।

আৰু স্পষ্টকৈ মোক ব্যাখ্যা কৰিবলৈ দিয়ক। যেতিয়া আপুনি হাতত মালা এডাল লৈ কোনো নেতাক সন্মান যাচিবলৈ যায়, আপুনি নেতা বুলি এটা বান্দৰৰ ছবিত মালাডাল আঁৰি দিবনে? যদি আপুনি তেনে কৰে, যিজন ব্যক্তিক আপুনি সন্মান কৰিব বিচাৰে তেওঁক অপমান কৰা নহ'বনে? অনুগ্ৰহ কৰি এই বিষয়ে ভাবি চাওক। বাইবেলে আমাক এইদৰে শিক্ষা দিয়ে, "এই কাৰণে হে মোৰ প্ৰিয়বিলাক, দেৱপূজাৰ পৰা পলোৱা।" (১ কৰিন্থীয়া, ১০:১৪)। যেতিয়া আপুনি ঈশ্বৰৰ এই আজ্ঞাক পালন নকৰে, অভিশাপবোৰ নিশ্চয় আপোনালৈ আহিব ভাবি চাওক আৰু এটা সিদ্ধান্ত লওক।

## ৪। যদি আপুনি আপোনাৰ পিতৃ-মাতৃক সন্মান নকৰে, অভিশাপ আপোনাৰ পাছে পাছে আহিব ঃ

"তোমাৰ ঈশ্বৰ যিহোৱাই তোমাক যি দেশ দিছে, সেই দেশত তোমাৰ আয়ুস দীঘল হ'বৰ নিমিত্তে, তুমি তোমাৰ পিতৃ-মাতৃক সন্মান কৰিবা" (যাত্ৰাপুস্তক ২০:১২)


### মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।



### কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | |
|---|---|
| **Account Name** | **: ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | **: 1023 2923 805** |
| **Bank Name** | **: STATE BANK OF INDIA** |
| **Branch** | **: TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | **: SBIN 0000249** |
| **SWIFT Code** | **: SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
# PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

## ঈশ্বৰে আচৰিত কাৰ্যবোৰ কৰে!

দক্ষিণ ভাৰতৰ উটি নামৰ এখন চহৰত মই অন্তিম দিনৰ সভাৰ বাবে যুগুত হৈ আছিলো, তেতিয়া মই ভেলুৰত থকা মোৰ বন্ধু এজনৰ পত্নীৰ পৰা ফোনত বহুত দুখলগা খবৰ এটা পালো। তেওঁ চকুলোৰে ক'লে, "ভাই, মোৰ স্বামী শ্ৰীচামুৱেল জেয়াচিলানৰ বুকুত বিষম বিষ হৈ আছে, গতিকে তেওঁক হস্পিতেলত ভৰ্তি কৰা হৈছে। ইতিমধ্যে তেওঁৰ হাৰ্টৰ অস্ত্ৰোপচাৰ হৈ গৈছে আৰু তেওঁ ইমানেই দুৰ্বল হৈ আছে যে আন এটা অস্ত্ৰোপচাৰ কৰাব নোৱাৰিব। আপুনি অনুগ্ৰহ কৰি সোনকালে ইয়ালৈ আহক।"

সেই নিশাই, মই ভেলুৰলৈ গ'লো। অস্ত্ৰোপচাৰৰ বাবে সাজু কৰি ৰখা মোৰ বন্ধুজনক বিচাৰি হস্পিতেললৈ গ'লো। মই মনত বহুত কষ্ট পাইছিলো, মই তেওঁৰ মূৰত হাত ৰাখি প্ৰাৰ্থনা কৰিছিলো, "হে মোৰ ঈশ্বৰ, এইবাৰ মোৰ বন্ধুক অস্ত্ৰোপচাৰ কৰিবলৈ নিদিবা। তেওঁক আচৰিত কৰ্মৰ সুস্থতা দান কৰা।" ডাক্তৰে অবিশ্বাসীপূৰ্ণ আৰু নিৰাশজনক মন্তব্য দিয়া সত্বেও মই মোৰ বিশ্বাসত দৃঢ় হৈ থাকিলো। মোৰ বন্ধুজনক অপাৰেচন থিয়েটাৰৰ ভিতৰলৈকে নিনিয়া পৰ্যন্ত মই তেওঁৰ কাষতে ৰৈ আছিলো। পৰিয়ালৰ লোকসকলেও আশা হেৰুৱাই তাতে তেওঁৰ চাৰিওফালে থিয় হৈ আছিল।

যেতিয়া মই থিয়েটাৰৰ বাহিৰত থিয় হৈ আছিলো, মই ঈশ্বৰৰ ওপৰত ভৰষা ৰাখি নিৰন্তৰে প্ৰাৰ্থনা কৰি আছিলো। এঘণ্টাৰ পাছত ডাক্তৰজনে থিয়েটাৰৰ পৰা ওলাই আহিছিল তেতিয়া মই তেওঁক উদ্বিগ্ন হৈ সুধিছিলো, "ছাৰ, মোৰ ভাইজন কেনে আছে?" যেতিয়া তেওঁ মোক ক'লে, "অস্ত্ৰোপচাৰৰ প্ৰয়োজন নাই। তাত এটা দুৰ্বল অংশ আছে, সেইটো দৰৱত ঠিক হৈ যাব" ঈশ্বৰে মোৰ প্ৰাৰ্থনাৰ উত্তৰ দিলে, অস্ত্ৰোপচাৰ নকৰাকৈ মোৰ বন্ধুজনক সুস্থ কৰিলে।

ঈশ্বৰৰ গৌৰৱ হওক, তেওঁ আমাৰ জীৱনত একেৰাহে আচৰিত কৰ্ম কৰে।

❖❖❖❖❖

এই পদটিয়ে কয় যে যদি আপুনি আপোনাৰ পিতৃ-মাতৃক সন্মান নকৰে, এই পৃথিৱীত আপোনাৰ জীৱনটোক চুটি কৰা যাব। যেতিয়া ঈশ্বৰে কয় যে আমাৰ দিনবোৰ দীৰ্ঘ হ'ব", তেওঁ ইয়াকে কয় যে তেওঁ আমাক সন্তোষজনক ধন, স্বাস্থ্য, ভাল পৰিয়াল, মনত শান্তি দিব। যেতিয়া আপুনি এইসকলো আশীৰ্বাদ পাব আমি দীৰ্ঘায়ু হ'ম।

আজিৰ বংশই এই অংশীদাৰৰ পৰা বঞ্চিত হৈছে কিয়নো তেওঁলোকে নিজৰ বৃদ্ধ পিতৃ-মাতৃক ভাল আহাৰ নিদিয়ে, পিতৃ-মাতৃক তেওঁলোকে এক ডাঙৰ বোজা বুলি গণ্য কৰি 'বৃদ্ধাশ্ৰম'লৈ পঠাই দিয়ে। কিন্তু তেওঁলোকে বিলাসী ঘৰত বাস কৰে। আপোনাৰ পিতৃ-মাতৃয়ে আপোনাৰ আত্মিক জীৱনক গণ্য নকৰিবও পাৰে, আনকি আপোনাৰ উন্নতিত বাধাও আনিব পাৰে। তেওঁলোক অশিক্ষিত হ'ব পাৰে আৰু আপোনাক নুবুজিবও পাৰে। যদিও তেওঁলোকে আপোনাৰ বিৰোধ কৰে, তেওঁলোকক ভালদৰে চোৱা চিতা কৰা, প্ৰেম দেখুওৱা আৰু সন্মান কৰাটো আপোনাৰ দায়িত্ব হয়। যদি আপুনি এইদৰে নকৰে, আপুনি আশীৰ্বাদ নাপাব।

### ৫। ঈশ্বৰৰ মণ্ডলীৰ বিৰোধী কাম কৰিলে অভিশাপক মতা হয় ঃ

**"তেনেকৈ তোমালোকেও যিহুদী, কি গ্ৰীক, কি ঈশ্বৰৰ মণ্ডলী, কাৰো বিঘ্নজনক নহ'বা"** (১ কৰিন্থীয়া ১০:৩২)

ঈশ্বৰৰ মণ্ডলীৰ বিষয়ত থকা মতামতত গভীৰ অৰ্থ আছে। সেই গতিকে সাধু পৌলে কৈছে, **"এই নিগূঢ় তত্ব অতি গুৰুত্বৰ"** (ইফিচীয়া ৫:৩২)। ইফিচীয়া ৫:২৬, ২৭ ত আমি পঢ়িবলৈ পাঁও যে, **"তেওঁ তেজস্বী অৰ্থাৎ দাগ নথকা বা শোতোৰা পৰা আদি কৰি একো ঘূণ নথকা অথচ পবিত্ৰ আৰু নিষ্কলঙ্ক মণ্ডলী নিজৰ আগত নিজে উপস্থিত কৰিবৰ কাৰণেই জলস্থানৰ দ্বাৰাই, বাক্যত তাক শুচি কৰি পবিত্ৰ কৰিবলৈ নিজকে শোধাই দিলে।** যীচু খ্ৰীষ্টই কৈছিল **"... মই মোৰ মণ্ডলী স্থাপন কৰিম আৰু নৰক কুণ্ডৰ দ্বাৰে তাক পৰাজয় নকৰিব"** (মথি ১৬:১৮)। ইয়াৰ পৰাই আমি জানো যে ঈশ্বৰে তেওঁৰ মণ্ডলীক কিমান প্ৰেম কৰে। মূল্য হিচাপে তেওঁ তেওঁৰ নিজৰ তেজ দান কৰিলে। গতিকে এইটো সত্য যে যিজনে ঈশ্বৰৰ মণ্ডলীক ধ্বংস কৰিবৰ চেষ্টা কৰে তেওঁ তেওঁক দণ্ডৰ পৰা ৰেহাই নিদিব।

কিছুমানে ঈশ্বৰৰ মণ্ডলীৰ বিষয়ে বেয়া কথা কয়। কিছুমান মানুহে ঈশ্বৰৰ সম্পত্তিৰ অপব্যৱহাৰ কৰে। কিছুমানে মণ্ডলীৰ বিশ্বাসৰ মতৰ বিষয়ে সস্তীয়াকৈ চিন্তা কৰে আৰু বেয়াকৈ নিন্দা কৰে। কিছুমান ঈশ্বৰৰ সন্তানবিলাকে কঠিন পৰিশ্ৰম কৰি ঈশ্বৰৰ বাবে আত্মা জয় কৰে। কিন্তু কিছুমান দুষ্ট লোকে তেওঁলোকৰ মণ্ডলীত প্ৰৱেশ কৰি নতুন বিশ্বাসী বিলাকৰ মনত খেলিমেলি কৰে আৰু নিজৰ মণ্ডলী আৰম্ভ কৰিবলৈ তেওঁলোকে তাত লৈ যায়। তেনে মানুহে ঈশ্বৰৰ সেৱা নকৰে। পৰিৱৰ্তে তেওঁবিলাকে আত্মা নষ্ট কৰে। কিছুমান মানুহ বিখ্যাত হ'বৰ বাবে নিজৰ মণ্ডলীৰ দুৰ্বল বিষয়বোৰ ক'বলৈ অনিচ্ছা নকৰে। তেনে

মানুহবিলাকক ঈশ্বৰে কেতিয়াও সহ্য নকৰে। তেওঁ নিশ্চয় ক'ব, "তেতিয়া মই সিহঁতক স্পষ্টকৈ ক'ম, মই তহঁতক কেতিয়াও জনা নাই, হে অধৰ্মচাৰীবোৰ, মোৰ ওচৰৰ পৰা দূৰ হ" (মথি ৭:২৩)। ই যে কেনে নিৰ্দয় কথা হ'ব?

ঈশ্বৰে তেওঁৰ মণ্ডলীৰ বিৰুদ্ধে কাৰ্য কৰা আৰু তেওঁৰ সেৱা কৰিবলৈ আহ্বান পোৱা যায় আৰু অভিষেকপ্ৰাপ্ত দাসসকলৰ বিৰুদ্ধে কাৰ্য কৰা যি কোনোলোকক দণ্ড দিয়ে। এই দণ্ড তেওঁবিলাকৰ গোটেই জীৱনটোত থাকিব আৰু তেওঁৰ বংশৰ পৰা বংশলৈ গৈ থাকিব। এইটো বিশ্ব ইতিহাস আৰু বাইবেল সম্বন্ধীয় ইতিহাসত সত্য প্ৰমাণিত হৈছে।

১। গেহজী ইলীচা ভাববাদীৰ দাস আছিল। ইলীচা চিৰিয়া সৈন্যৰ সেনাপতি নামানৰ কুষ্ঠ ৰোগক সুস্থ কৰাৰ দায়িত্বত আছিল। কিন্তু গেইজীয়ে চুৰকৈ তেওঁৰ গুৰুৰ ইচ্ছাৰ বিৰুদ্ধে কাৰ্য কৰি নামানৰ পৰা উপহাৰ গ্ৰহণ কৰাৰ বাবে কুষ্ঠ ৰোগৰ সৈতে অভিশাপ পালে আৰু ঈশ্বৰৰ উপস্থিতিৰ পৰা আঁতৰি যাব লগা হ'ল। আৰু এই অভিশাপ তেওঁৰ বংশৰ ওপৰতো আহিল। এই ঘটনা ২ ৰাজাৱলী ৫:২০-২৭ পদত লিখা আছে।

২। অননীয়া আৰু তেওঁৰ পত্নী চাফীৰাই তেওঁলোকৰ নিজৰ সম্পত্তি বিক্ৰী কৰি ইয়াক ঈশ্বৰৰ পৰিচৰ্যালৈ দান কৰিব বিচাৰিলে। কিন্তু তেওঁলোকে পিতৰৰ পৰা সত্যক লুকুওৱাৰ বাবে তেওঁলোকৰ দুয়োৰ তৎক্ষণাত মৃত্যু হ'ল (পাঁচনিৰ কৰ্ম ৫:১-১০)

ঈশ্বৰে চৰকাৰ আৰু আনকি যি ৰাজ্যই ঈশ্বৰৰ মণ্ডলীৰ বিৰুদ্ধে আৰু ঈশ্বৰৰ দাসবিলাকৰ বিৰুদ্ধে কাৰ্য কৰিলে এই লোকবিলাকক ধ্বংস কৰিলে। যি লোকে ঈশ্বৰৰ মনোনীত দাস আৰু ঈশ্বৰে তেওঁলোকক দিয়া বিশ্বাসীসকলৰ বাবে যত্ন লোৱাত দিনে-নিশাই পৰিশ্ৰম কৰি আছে। তেওঁলাকক দুখ দিয়ে আৰু সমস্যাৰ সৃষ্টি কৰে। ঈশ্বৰে নিশ্চয়ে তেওঁলোকক দণ্ড দিব।

পৰিচৰ্যাত মোৰ নিজৰ অভিজ্ঞতাত মই নিজেই দেখিছো। পৰিচৰ্যাত মোৰ নম্ৰ আৰম্ভণিৰ সময়ত কিছুমান মানুহে ভাবিছিল যে মোৰ পক্ষে কোৱা মানুহে ভাবিছিল যে মোৰ পক্ষে কোৱা মানুহ কোনো নাই গতিকে মই যেতিয়া চৰকাৰী অফিচত চাকৰি কৰি আছিলো, তাত প্ৰৱেশ কৰি মোৰ বিনা দোষত মোক অভিযোগ কৰিছিল আৰু মোৰ বিষয়ে মোৰ উচ্চ বিষয়াসকলৰ ওচৰতো অভিযোগ কৰিছিল। তেওঁবিলাকে মোৰ পৰিচৰ্যা আৰু মোৰ বিৰুদ্ধে অনেক বেয়া কথাবোৰ কৈছিল আৰু মোক আঙুলিয়াই ক'বলৈয়ো সাহস কৰিছিল। এইদৰে মোৰ বহুত বেয়াকৈ দুখ দিছিল আৰু মনত কষ্ট দিছিল। কিন্তু ঈশ্বৰ মোৰ পক্ষে আছিল আৰু তেওঁলোকক আৰু তেওঁলোকৰ বংশক ধ্বংস কৰিলে। কিছুমানে এতিয়াও ৰাস্তাত পগলাৰ দৰে ঘূৰি থাকে। কিছুমানে কোনো পৰিয়াল নোহোৱাকৈয়ে অনাই-বনাই ঘূৰি ফুৰিছে। তেওঁলোকৰ বহুত বংশবিলাকৰ কোনো মূল্য নথকা হ'ল।

অলপতে এটা ডাঙৰ ঘটনা হৈ গ'ল। আমাৰ বৰ্তমানৰ মণ্ডলীৰ আশে-পাশে থকা বহুত মানুহে মোক সমস্যা আৰু মানসিক অশান্তি দিবলৈ চেষ্টা কৰিছিল। আনকি কিছুমানে শাৰিৰীকভাৱে অপদস্থ কৰিবলৈয়ো চেষ্টা কৰিছিল। সেই লোকবিলাক সুস্থ হ'ব নোৱাৰা ৰোগ ভুগি মৃত্যু বৰণ কৰিলে। কিছুমানে নিজৰ পৰিয়ালৰ মাজত ডাঙৰ কাজিয়াৰ সৃষ্টি হোৱাৰ ফলত নিজৰ ঘৰ ত্যাগ কৰি আন বেলেগ ঠাইলৈ গুচি গ'ল। যি লোকবিলাকে যৌথ পৰিয়াল হিচাপে বাস কৰিছিল, সমস্যা আৰু ব্যৰ্থতাৰ সন্মুখীন হোৱাত সকলো সম্পত্তি বহু সস্তীয়া দৰত বিক্ৰী কৰি আমাৰ ঠাই ত্যাগ কৰি গুচি গ'ল। ডাঙৰ ডাঙৰ পৰিয়ালবোৰ ভগ্ন হ'ল আৰু প্ৰত্যেকেই চহৰৰ কোনোৱা চুকলৈ গুচি গ'ল। এতিয়া ইয়াত আমাৰ পৰিচৰ্যা বিৰুদ্ধে থিয় হোৱা মানুহ কোনো নাই। এই সকলো কোনে কৰিলে আৰু ইয়াৰ আঁৰত কি কাৰণ থাকিব পাৰে? অনুগ্ৰহ কৰি এই বিষয়ত অলপ চিন্তা কৰক।

## 7 অভিশাপৰ পৰা আশীৰ্বাদ লৈ যাবলৈ সাতোটা আজ্ঞা ঃ

১। প্ৰভু যীচু খ্ৰীষ্টত থকা আপোনাৰ আৰু আপোনাৰ বাবে তেওঁ দিয়া বলিদানক আপোনাৰ নিজ মুখেৰে স্বীকাৰ কৰক।

২। মন পালটন কৰি আপোনাৰ জেদী আৰু পাপময় জীৱনৰ পৰা ঘূৰি আহি বাপ্তিস্ম লওক।

৩। আপোনাৰ বিৰুদ্ধে অন্যায় কৰা লোকজনক ক্ষমা কৰক।

৪। পিশচীয়া প্ৰলোভন আৰু দেৱ পূজাৰ সৈতে জড়িত সকলো কাৰ্যৰ পৰা নিজকে সম্পূৰ্ণকৈ আঁতৰাই আনক।

৫। বিশ্বাস কৰক, যীচু খ্ৰীষ্টই সদায় আপোনাক ক্ষমা কৰিবলৈ সাজু আছে আৰু তেওঁত সম্পূৰ্ণকৈ ভৰষা ৰাখক। তেওঁৰ তেজৰ দ্বাৰাই ক্ষমা আৰু উদ্ধাৰ লাভ কৰক।

৬। যীচু খ্ৰীষ্টৰ আত্মাত আৰু সত্যত ভজনা কৰা লোকবিলাকৰ মণ্ডলীত যোগদান কৰক। আপোনাৰ ঘৰৰ ওচৰৰ এটা মণ্ডলী বাছি লওক। যীচু খ্ৰীষ্টত লাগি থাকক আৰু মণ্ডলী আৰু পালকৰ সৈতে সহযোগ কৰক।

৭। এক প্ৰকাৰে নহ'লেও আন প্ৰকাৰে প্ৰভু যীচু খ্ৰীষ্টক সেৱা কৰক আৰু নিয়মীয়া বাইবেল অধ্যয়ন আৰু প্ৰাৰ্থনা কৰক।

❖❖❖❖❖

## পঢ়ুৱৈসকল মনোযোগ দিয়ক !

### পালক এচ. চাম ছেলভা ৰাজাৰ আত্মজীৱনী !

আমি পালক এচ, চাম ছেলভা ৰাজৰ আত্মজীৱনী পুস্তকৰ আকাৰত প্ৰকাশন সম্পূৰ্ণ কৰাৰ চূড়ান্ত পৰ্য্যায়ত আছো। আমি আপোনালোকৰ সাক্ষ্য বিচাৰি অনুৰোধ জনাইছো, হ'ব পাৰে দহ শাৰীত তেওঁৰ পৰিচৰ্য্যাৰ যোগেদি আত্মিক বৃদ্ধিত কি ভাবে প্ৰভাৱিত হৈছে। তাৰ বিস্তাৰিত বিৱৰণ লিখি পঠাওক। অতিৰিক্ত ভাবে আপুনি যদি আত্মজীৱনীত অন্তৰ্ভুক্তৰ বাবে এটি ছবি দিব পাৰে তেন্তে আমি আপোনাক প্ৰশংসা কৰিম।

*- সম্পাদক*

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/24-26 WPP.No.TN/PMG(CCR)/WPP-262/24-26

# Echo of His Call

## ইউ টিউব

অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

- সম্পাদক

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

Google Pay: 98410 71858
PayPal : SAM SELVA RAJ
*****
E.mail : sam@echoofhiscall.org

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা    জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps **(Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.)** to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

## ECHO OF HIS CALL

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

YOU CAN SEND YOUR DONATION ONLINE ALSO

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/24-26
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/24-26
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th SEPTEMBER 2024.
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers,** New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**